# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::

দৰং জিলাৰ চিপাঝাৰ ৰাজহ চক্ৰৰ প্ৰায় দহ হাজাৰ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰি আৰম্ভ কৰা প্ৰকল্পৰ জৰিয়তে অঞ্চলটো ৰাজ্যখনৰ আলোক উজ্বল স্থান হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে। অহা দহ বছৰৰ ভিতৰত বহিঃৰাজ্যৰ পৰা পৰ্যটক ৰাজ্যৰ কেইবাখনো ঐতিহ্যমণ্ডিত স্থানৰ দৰে এই অঞ্চললৈ আহিব বুলি মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে প্ৰকাশ কৰে। আজি গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি ড° শৰ্মাই গৰুখুঁটিৰ প্ৰকল্পক সুসংগঠিতভাৱে ৰূপায়িত কৰি ইয়াক পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰৰূপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে বিভিন্ন প্ৰতিবন্ধক অতিক্ৰম কৰি গৰুখুটি প্ৰকল্প নিৰ্দিষ্ট লক্ষ্যৰ দিশে অগ্ৰসৰ হৈছে। যোৱা বছৰ প্ৰকল্পৰ পৰা ৫ কোটিতকৈ অধিক টকা উপাৰ্জন কৰা হৈছে আৰু প্ৰায় ৮ কোটি টকা বেংক একাউণ্টত জমা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰকল্পৰ অধীনত পশুপালন, দুগ্ধ উৎপাদন, হস্ততাঁত শিল্প আদিৰে স্বাৱলম্বিতাৰ আধাৰ নিৰ্মাণ কৰা হৈছে বুলিও তেওঁ কয়। এই প্ৰকল্পত ৰাজ্যৰ খিলঞ্জীয়া যুৱক-যুৱতীৰ বাবে এখন কৃষি বিজ্ঞান মহাবিদ্যালয় স্থাপনৰ লক্ষ্য লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ১৯৮৩ চনত ২৩ গৰাকী লোকৰ মৃত্যুৰ বিনিময়ত গৰুখুঁটি ৰক্ষাৰ কাহিনী সোঁৱৰণ কৰি ড° শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ এমাহ নৌহওঁতেই ২০২১ চনত তেওঁ গৰুখুঁটি ভ্ৰমণ কৰি এই বহুমুখী কৃষি প্ৰকল্পৰ পৰিকল্পনা কৰা বুলি প্ৰকাশ কৰে। গৰুখুঁটিৰ সফল উচ্ছেদে চৰকাৰক সাহসী কৰি তোলা বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয়, যে গৰুখুঁটিৰ পাছতে বৰছলা, লামডিং, বটদ্ৰৱা, চাপৰ আৰু পাইকানতো চৰকাৰে উচ্ছেদ চলায় আৰু অচিৰেই উৰিয়ামঘাটতো উচ্ছেদ অভিযান আৰম্ভ কৰা হ'ব।

০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি নতুন দিল্লীৰ কৃষি ভৱনত কেন্দ্ৰীয় কৃষি, কৃষক কল্যান আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰী শ্ৰীবৰাই অসমৰ কৃষকসকলে সম্প্ৰতি সন্মুখীন হোৱা প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে অৱগত কৰে। ৰাজ্যৰ কেইবাখনো জিলা বানত ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে বহু অঞ্চলত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই প্ৰাকৃতিক দুৰ্যোগে কৃষকসকলৰ লগতে গ্ৰাম্য অৰ্থনীতিত পেলোৱা প্ৰভাৱ সম্পৰ্কেও মন্ত্ৰীগৰাকীয়ে শ্ৰীচৌহানৰ সৈতে আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কৃষি মন্ত্ৰীগৰাকীক কেন্দ্ৰীয় চৰকাৰ সংকটৰ সময়ত অসমৰ কৃষকসকলৰ কাষত থাকিব বুলি আশ্বাস দিয়ে। তেওঁ শীঘ্ৰে ৰাজ্যত বান আৰু খৰাঙত ক্ষতিগ্ৰস্ত জিলাসমূহ ভ্ৰমণ কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰিব বুলিও প্ৰতিশ্ৰুতি দিয়ে। এই বৈঠকত ৰাজ্যখনত কেতবোৰ শস্যৰ জাতৰ বিষয়ত অধিসূচনা জাৰি নকৰাৰ গুৰুত্বপূৰ্ণ বিষয়টো মন্ত্ৰীগৰাকীয়ে উত্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ কৃষকসকলৰ সুবিধাৰ্থে ৰাজমাহ, মছুৰ, ৰহৰ, সূৰ্যমুখী ফুল, নহৰু আৰু পিয়াজকে ধৰি কেইবাবিদো শস্যৰ অধিসূচনা ব্যৱস্থা লবলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদক নিৰ্দেশ দিয়ে। এই বৈঠকত কৃষি মন্ত্ৰীগৰাকীয়ে ফচল বীমা যোজনাৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। কৃষকসকলক সহজে বীমাৰ সুবিধা দিবলৈ বাধ্যতামূলক

ডিজিটেল কৃষক পঞ্জীয়নৰ ব্যৱস্থা কিছু শিথিল কৰিবলৈ মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। তদুপৰি উত্তৰ পূৰ্বৰ বাবে মিছন অৰ্গেনিক ভেলু ছেইন ডেভেলপমেণ্ট আঁচনিখনৰ কাৰ্যকাল এবছৰ বৃদ্ধি কৰাৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত কেন্দ্ৰীয় কৃষি সচিব দেবেশ চতুৰ্বেদী প্ৰমুখ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

০০০০

বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আজি এখন পৰ্যালোচনা  বৈঠকত অংশ লয়। মন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচীৰ সকলো পৰিকল্পনা আৰু প্ৰস্তুতি নিয়াৰিকৈ সম্পন্ন কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়। তদুপৰি সাংস্কৃতিতক মহাসংগ্ৰামৰ দ্বিতীয় সংস্কৰণ, ৰাজ্যিক চলচ্চিত্ৰ নীতি, ৰাজ্যিক চলচ্চিত্ৰ বঁটা, অ'টিটি নীতি, আলাবৈ ৰণৰ স্মৃতি স্তম্ভ নিৰ্মাণ, ৰবীন্দ্ৰ ভৱনৰ পুনৰ নিৰ্মাণ, মেগা বাগৰুম্বা নৃত্যৰ অনুষ্ঠান আদি কাৰ্যসূচী সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। মন্ত্ৰী শ্ৰীবৰাই আজি বেজবৰুৱা স্মৃতিৰক্ষা সমিতিৰ এটা প্ৰতিনিধি দলৰ সৈতে বৈঠকত মিলিত হৈ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টিসমূহৰ সংৰক্ষণ আৰু প্ৰচাৰৰ বিষয়ে আলোচনা কৰে।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। এতিয়ালৈকে কমেও ৩০ জন লোকৰ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছে। স্বাস্থ্য বিভাগে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ব্যাপক সজাগতা কাৰ্যসূচী লৈছে। ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ পৰা পোৱা তথ্য অনুসৰি জিলাখনত ৪ জন ৰোগী এই ৰোগত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। অৱশ্যে কোনো লোকৰ এই ৰোগৰ ফলত প্ৰাণ হানি হোৱা নাই। হাস্পতালখনত উজনি অসমৰ অন্য জিলাৰ ৬ জন ৰোগী চিকিৎসাধীন হৈ আছে বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰিছে। তিনিচুকীয়া জিলাত এই ৰোগৰ প্ৰাদূৰ্ভাৱ ৰোধ কৰাৰ বাবে আজি জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্তই সংশ্লিষ্ট বিভাগসমূহক যাৱতীয় নিৰ্দেশ আৰু পৰামৰ্শ প্ৰদান কৰে। জিলাখনত এই ৰোগৰ প্ৰাদূৰ্ভাৱ নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগক বিশেষ ব্যৱস্থা ল'বলৈ তেওঁ আহ্বান জনায়।

০০০০

কোকৰাঝাৰ আৰক্ষীয়ে আজি জিলাখনৰ খাৰগাঁৱত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। লোকজনৰ পৰা ৭ টা টেমাত ভৰ্তি কৰি অনা মাদক দ্ৰব্য আৰক্ষীয়ে উদ্ধাৰ কৰে। আৰক্ষীয়ে লগতে আন ৩ জন লোককো এই সৰবৰাহ কাৰ্যত জড়িত থকাৰ সন্দেহত আটক কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ